DAILY ASSAM

# ২১। বাক্য পৰিৱৰ্তন

২১ ঃ ১ মনৰ ভাব সম্পূৰ্ণ ৰূপে প্ৰকাশ কৰা বাক্যসমূহক অৰ্থৰ কোনো পৰিৱৰ্তন নকৰাকৈ এটি প্ৰকাৰৰপৰা আন এটি প্ৰকাৰলৈ পৰিৱৰ্তন কৰিব পাৰি। যেনে বাক্য ব্যৱহাৰ কৰিলে শ্ৰুতি মধুৰ হয় আৰু অৰ্থও স্পষ্ট প্ৰকাশ পায় তেনে বাক্য ব্যৱহাৰ কৰাহে উচিত। অসমীয়াত ইংৰাজী আদৰ্শৰ নানান বাক্য গঠন প্ৰণালী গঢ়ি উঠিছে। এনে বাক্যৰীতি অৰ্থ প্ৰকাশক আৰু শ্ৰুতি মধুৰ হ'লে গ্ৰহণ বা ব্যৱহাৰ কৰিব পাৰি।

তলত পৰিৱৰ্তনৰ বিভিন্ন ধাৰা সম্বন্ধে আলচ কৰা হ'ল।

**২১ ঃ ১ সৰল বাক্যক জটিল বাক্যলৈ পৰিৱৰ্তন কৰা নিয়ম ঃ**

সৰল বাক্যত থকা বিভিন্ন পদ বা বাক্যাংশক বিশেষ্য, বিশেষণ বা ক্ৰিয়া-বিশেষণ স্থানীয় খণ্ডবাক্য কৰি জটিল বাক্য ৰচনা কৰিব পাৰি। যথা—

**সৰল বাক্য—** অকৃতজ্ঞ লোকে ক'তো আসন নাপায়।
**জটিল বাক্য—** যিজন লোক অকৃতজ্ঞ, তেওঁ ক'তো আসন নাপায়।
**সৰল বাক্য—** আমি অসমৰ সুউচ্চ সংস্কৃতিক সন্মান কৰা উচিত।
**জটিল বাক্য—** অসমৰ যি সুউচ্চ সংস্কৃতি আছে, তাক আমি সন্মান কৰা উচিত।
**সৰল বাক্য—** ভাষা আন্দোলনৰ সময়ত অসমবাসীৰ মনত ভুল বুজা-বুজি হৈছিল।
**জটিল বাক্য—** যেতিয়া অসমত ভাষা আন্দোলন হৈছিল, যেতিয়া অসমবাসীৰ মনত ভুল বুজা-বুজি হৈছিল।

**২১ ঃ ৩ জটিল বাক্যক সৰল বাক্যলৈ পৰিৱৰ্তন ঃ**

জটিল বাক্যৰ বিশেষ্য, বিশেষণ বা ক্ৰিয়া-বিশেষণ স্থানীয় অধীন খণ্ডবাক্যক একোটি বিশেষ্য, বিশেষণ বা ক্ৰিয়া-বিশেষণ পদ বাক্যাংশলৈ পৰিৱৰ্তন কৰি সৰল বাক্য গঠন কৰিব পাৰি। যথা—

**মিশ্ৰ বাক্য—** (১) যি সকলে ব্যাকৰণ মনপুতি পঢ়ে, সিহঁতে ভাষাটো ভালকৈ জানে।
**সৰল বাক্য—** ব্যাকৰণ মনপুতি পঢ়াসকলে ভাষাটো ভালকৈ জানে।
**মিশ্ৰ বাক্য—** (২) যি সময়ত কিতাপ পঢ়া, সেই সময়ত হাইউৰুমি নকৰিবা।
**সৰল বাক্য—** কিতাপ পঢ়া সময়ত হাইউৰুমি নকৰিবা।
**মিশ্ৰ বাক্য—** (৩) ৰীণা যে এজনী ৰূপহী আৰু গুণৱতী ছোৱালী মই আগেয়ে জনা নাছিলোঁ।
**সৰল বাক্য—** মই আগেয়ে ৰীণাক ৰূপহী আৰু গুণৱতী ছোৱালী বুলি নাজানিছিলোঁ।

**২১ ঃ ৪ সৰল বাক্যক যৌগিক বাক্যলৈ পৰিৱৰ্তন ঃ**

সৰল বাক্যত কোনো পদ বা বাক্যাংশক নিৰপেক্ষ বাক্যলৈ পৰিৱৰ্তন কৰি আৱশ্যকানুযায়ী অব্যয় পদেৰে সংযোগ কৰিলে যৌগিক বাক্যত পৰিণত হয়। যথা-

সৰল বাক্য— (১) ৰামে পিতৃসত্য পালি সীতা, লক্ষ্মণৰ সৈতে বনলৈ গ'ল।
যৌগিক বাক্য— ৰামে পিতৃসত্য পালন কৰিলে আৰু সীতা, লক্ষ্মণৰ সৈতে বনলৈ গ'ল। নাইবা,
ৰামে পিতৃসত্য পালন কৰিলে, সীতা আৰু লক্ষ্মণক লগত ল'লে আৰু বনলৈ গ'ল।

সৰল বাক্য— (২) ভাল শিক্ষা পাইয়ো সৎ স্বভাৱী হ'ব নোৱাৰিলোঁ।
যৌগিক বাক্য— ভাল শিক্ষা পাইছোঁ, কিন্তু সৎ স্বভাৱী হ'ব নোৱাৰিলোঁ। নাইবা,
ভাল শিক্ষা পাইছোঁ, অথচ সৎ স্বভাৱী হ'ব নোৱৰিলোঁ।

## ২১ ঃ ৫ জটিল বাক্যক যৌগিক বাক্যলৈ পৰিৱৰ্তন ঃ

জটিল বাক্যৰ অধীন বাক্যখণ্ডটোক নিৰপেক্ষ প্ৰধান বাক্যলৈ পৰিৱৰ্তন কৰি অৰ্থানুযায়ী অব্যয় পদৰ সহায়ত আগৰ প্ৰধান বাক্যৰ লগত যোগ কৰিব লাগে। তেনেকৈ, অব্যয়ৰ সহায়ত একেটি বাক্য হ'লে যৌগিক বাক্য হৈ পৰে। যথা—

জটিল বাক্য— (১) যদিও তাই পঢ়া-শুনাত ভাল ছোৱালী তথাপি তাইৰ ব্যৱহাৰ বেয়া।
যৌগিক বাক্য— তাই পঢ়া-শুনাত ভাল, কিন্তু তাইৰ ব্যৱহাৰ হ'লে বেয়া।
জটিল বাক্য— (২) যদিও দুয়োজন ল'ৰাই সদায় কাজিয়া কৰে, তথাপি কিবা খোৱা বস্তু পালে দুয়ো ভগাই খায়।
যৌগিক বাক্য— দুয়োজন ল'ৰাই সদায় কাজিয়া কৰে সঁচা, কিন্তু যদি খোৱা বস্তু পায়, দুয়ো ভগাই খায়। নাইবা,
কিবা খোৱা বস্তু পালে দুয়োজন ল'ৰাই ভগাই খায়,
অথচ সিহঁতে সদায় কাজিয়া কৰে।

## ২১ ঃ ৬ যৌগিক বাক্যক সৰল বাক্যলৈ পৰিৱৰ্তন ঃ

যৌগিক বাক্যৰ নিৰপেক্ষ খণ্ডবাক্যবোৰৰ এটি মাথোন প্ৰধান বাক্য হিচাপে ৰাখি বাকী খণ্ডবাক্যক একেটি পদ বা বাক্যাংশ কৰিলে সৰল বাক্যত পৰিণত হয়। যথা—

যৌগিক বাক্য— (১) ছোৱালীজনীয়ে যথেষ্ট চেষ্টা কৰা নাছিল, মনোযোগ দিয়া নাছিল, সেইবাবে অকৃতকাৰ্য হ'ল।
সৰল বাক্য— ছোৱালীজনীয়ে অমনোযোগী হৈ যথেষ্ট চেষ্টা নকৰাত অকৃতকাৰ্য হ'ল।
যৌগিক বাক্য— (২) গান্ধীজী অৰ্ধনগ্ন ফকিৰ আছিল, কিন্তু ভাৰতীয়সকলে তেওঁক পিতৃৰ দৰে সম্মান কৰিছিল।
সৰল বাক্য— গান্ধীজী অৰ্ধনগ্ন ফকিৰ হ'লেও ভাৰতীয়সকলে তেওঁক পিতৃৰ দৰে সম্মান কৰিছিল।

## ২১ ঃ ৭ যৌগিক বাক্যক জটিল বাক্যলৈ পৰিৱৰ্তন ঃ

যৌগিক বাক্যৰ নিৰপেক্ষ খণ্ডবাক্য বা প্ৰধান বাক্য এটিক প্ৰধান বাক্য হিচাপে ৰাখি বাকী প্ৰধান বাক্যক অধীন খণ্ডবাক্য হিচাপে যোগ্য অব্যয় পদৰ ব্যৱহাৰ কৰিলে

DAILY ASSAM

জটিল বাক্য পাব পাৰি। যথা—

যৌগিক বাক্য— (১) ১৯৭২ চনত অসমত উচ্চ শিক্ষাৰ মাধ্যম আন্দোলন হৈছিল আৰু তাত কেইবাজনো শ্বহীদ হ'বলগীয়া হৈছিল।

জটিল বাক্য— ১৯৭২ চনত অসমত যি উচ্চ শিক্ষাৰ মাধ্যম আন্দোলন হৈছিল তাত কেইবাজনো শ্বহীদ হ'বলগীয়া হৈছিল।

সৰল বাক্য— ১৯৭২ চনৰ উচ্চ শিক্ষাৰ মাধ্যম আন্দোলনত কেইবাজনো শ্বহীদ হ'বলগীয়া হৈছিল।

যৌগিক বাক্য— (২) সদায় পুৱা-গধূলি লিখা-পঢ়া কৰিব লাগে, তেতিয়াহে শিকিব পাৰি।

জটিল বাক্য— যদি সদায় পুৱা-গধূলি লিখা-পঢ়া কৰা হয়, তেনেহ'লে শিকিব পৰা যায়।

সৰল বাক্য— সদায় পুৱা-গধূলি লিখা-পঢ়া কৰিলে শিকিব পাৰি।

## অনুশীলনী

(ক) জটিল বাক্যলৈ নিয়াঁ ঃ

(১) তাৰ পিতাক মৰা খবৰ নাপালোঁ।

(২) সিহঁতৰ দদায়েকক আমি ভালকৈ জানো।

(৩) বিপদত ধৈৰ্য ধৰা সকলোৰে কৰ্তব্য।

(৪) ৰুগীয়া লোকৰ মনত শান্তি নাই।

(৫) অমায়িক লোকে সকলোৰে সন্মান পায়।

(খ) যৌগিক বাক্যলৈ নিয়াঁ ঃ

(১) জ্ঞানৰ অভাৱত সি এনে ব্যৱহাৰ কাৰছে।

(২) গুৱাহাটীলৈ গৈ সি মন্ত্ৰীক লগ ধৰিলে।

(৩) মিছলীয়া লোকে নিজৰ আৰু পৰৰ অনিষ্ট কৰে।

(৪) অসুস্থ দেহ লৈ লাচিতে যুদ্ধত জঁপিয়াই পৰিছিল।

(গ) সৰল বাক্যলৈ নিয়াঁ ঃ

(১) যিলোকে শিক্ষকক মান নকৰে, তাৰ শিক্ষাই বৃথা।

(২) নৰীয়া গাৰে যুদ্ধ কৰি লাচিত বৰফুকনে মোগলক পৰাস্ত কৰিলে আৰু মানাহ নৈলৈকে খেদি পঠালে।

(৩) বীণাই ব্যাকৰণ শিকিবলৈ যথেষ্ট চেষ্টা কৰিছিল সঁচা কিন্তু ভালকৈ আয়ত্ত কৰিব নোৱাৰিলে।

(৪) তেওঁ যেতিয়া ব্যবসায় কৰিছিল, তেতিয়া তেওঁৰ অৱস্থা ভাল নাছিল।